**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি আজি পুৱাৰ ভাগত নিয়ন্ত্ৰণত আছে যদিও যিকোনো কুটাঘাতৰ আশংকাত প্ৰশাসনে নিৰাপত্তা বাহিনী সন্তম কৰি ৰাখিছে। আজি জিলাখনৰ খেৰণিত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে অতিৰিক্ত নিৰাপত্তা বাহিনী মোতায়েন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে অঞ্চলটোলৈ স্বাভাৱিক অৱস্থা ঘূৰাই অনা আৰু আলোচনাৰ জৰিয়তে সমস্যা সমাধান কৰিবলৈ সকলো পক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ এই পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখি আছে। এই অশান্ত পৰিস্থিতিত দুজন লোকৰ প্ৰাণহানিৰ ঘটনাত মুখ্যমন্ত্ৰীয়ে উদ্বেগ প্ৰকাশ কৰে। তেওঁ লগতে নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিং জিলাখনত বাহৰ পাতি থাকি অহৰহ পৰিস্থিতি নিৰীক্ষণ কৰি আছে।

আমাৰ পশ্চিম কাৰ্বি আংলং জিলাৰ সংবাদদাতাই জনোৱা মতে, খেৰণিৰ সমীপৰ থেলাংপিত আজি আন্দোলনকাৰী পক্ষৰ বহুলোক লোক সমবেত হয় আৰু তেওঁলোকে ডংকামোকামলৈ বুলি শোভাযাত্ৰা উলিয়াই কপিলী দলঙৰ ওচৰ পায়। আৰক্ষীয়ে সমদলকাৰীসকলক খেদি পঠিয়াবলৈ চেষ্টা চলায়। আনহাতে, কপিলী দলঙৰ আনটো পাৰত আন্দোলন  বিৰোধী পক্ষৰ একাংশ লোকে অৱস্থান কৰি থাকে। আৰক্ষীয়ে এই দলটোক তাৰ পৰা আঁতৰাই পঠিয়াই যদিও আন্দোলনকাৰী পক্ষই আৰক্ষীৰ বাধা নিষেধ নেওচি বাৰে বাৰে সমবেত হয়। প্ৰতিবাদকাৰীৰ একাংশই আৰক্ষীলৈ শিলগুটি দলিয়াই আৰু লাঠি আৰু অন্য অস্ত্ৰৰে আক্ৰমণ চলায়। এই আক্ৰমণত আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিং, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান অখিলেশ সিঙৰ লগতে কেইবাগৰাকী শীৰ্ষ আৰক্ষী বিষয়া আৰু আৰক্ষী জোৱান আহত হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে প্ৰথমে লাঠি চালনা আৰু পাছত গুলীচালনা কৰিবলগীয়া হয়। ইয়াৰ ফলত চিংথি টিমুং নামৰ এজন লোক আহত হয় আৰু পাছত তেওঁৰ হাস্পতালত মৃত্যু হয়। তদুপৰি প্ৰতিবাদকাৰীয়ে অগ্নি সংযোগ কৰাৰ ফলত এটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ ভিতৰত অগ্নিদগ্ধ হৈ সুৰয দে' নামৰ যুৱক এজনৰ মৃত্যু হয়।

পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাজ্যৰ প্ৰশাসনে পশ্চিম কাৰ্বি আংলং আৰু কাৰ্বি আংলং দুয়োখন জিলাতে মোবাইল ইণ্টাৰনেট সেৱা কালি আবেলিৰ পৰা অনিৰ্দিষ্ট কাললৈ বন্ধ কৰিছে। চৰকাৰী সূত্ৰই দিশপুৰত প্ৰকাশ কৰা অনুসৰি এই সময়ছোৱাত অৱশ্যে ভইছ টেলিফোন সেৱা আৰু ব্ৰডবেণ্ড ইণ্টাৰনেট সেৱা অব্যাহত থাকিব।

ইপিনে, মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও বৰ্তমান ডংকামোকামত বাহৰ পাতি আছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে বিভিন্ন পক্ষৰ সৈতে আলোচনা চলাই আছে। জিলাখনৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ পশ্চিম কাৰ্বি আংলং জিলাৰ সংবাদদাতা টুটু কোঁৱৰ –

**বাইট (টুটু কোঁৱৰ)**

০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত আজিৰ পৰা ৬ জানুৱাৰীলৈ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। ১৪ দিনীয়াকৈ হ'বলগীয়া গ্ৰন্থমেলা সন্দৰ্ভত কালি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন

সংবাদমেলত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই সবিশেষ তথ্য প্ৰকাশ কৰে। সচিবগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ৩ বজাত হ'বলগীয়া গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে সন্মানীয় অতিথি হিচাপে মুম্বাইৰ প্ৰসিদ্ধ লেখক আমিশ ত্ৰিপাঠী আৰু বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী উপস্থিত থাকিব। গ্ৰন্থমেলাৰ প্ৰাংগণতে জন্ম শতবৰ্ষত ড০ ভূপেন হাজৰিকা দেৱলৈ শ্ৰদ্ধাঞ্জলি শীৰ্ষক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ড০ ভূপেন হাজৰিকাৰ গীতত সমকালীনতা বিষয়ত হ'বলগীয়া অনুষ্ঠানটো সঞ্চালনা কৰিব বিশিষ্ট লেখক সুমন্ত চলিহাই। আলোচক হিচাপে বিশিষ্ট সংগীত শিল্পী কমল কটকী, ৰঞ্জন বেজবৰুৱা, লেখক-সমালোচক ড০ বিৰিঞ্চি কুমাৰ দাসে অংশগ্ৰহণ কৰিব। গ্ৰন্থমেলাৰ আজি প্ৰথম দিনৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ শৰ্মাই **যুৱ লেখক সন্মান ২০২৫** লাভ কৰা ৰাজ্যৰ ৪০ বছৰ অনুৰ্দ্ধ ৮১৮ গৰাকী যুৱ লেখক-লেখিকাক সম্বৰ্দ্ধনা জনাব। সৃষ্টিশীল সাহিত্য চৰ্চাৰ বাবে লেখক-লেখিকাসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে তেওঁলোকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

ইপিনে বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক, গল্পকাৰ ড° দীপক কুমাৰ বৰকাকতিলৈ ২০২৫ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে। ড° কাকতিক **ঐশ্বৰ্য** শীৰ্ষক উপন্যাসৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত আছে নগদ ৫ লাখ টকা, প্ৰশস্তি পত্ৰ, অংগবস্ত্ৰ আৰু গ্ৰন্থৰ টোপোলা। একেদৰে বান্ধৱ প্ৰকাশনলৈ ২০২৫ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ প্ৰকাশক বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত নগদ ৩ লাখ টকা, মানপত্ৰ, অংগবস্ত্ৰ আৰু কিতাপৰ টোপোলা আছে।

০০০০০০

**সমাপ্ত**